**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে উমৰাংছ'ৰ তিন কিল' কয়লাখনিত সংঘটিত দুৰ্ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এখন ন্যায়িক তদন্ত আয়োগ গঠন কৰিব। মৰিগাঁৱত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে কয়লাখনিত নিহত ৪ জন শ্ৰমিকৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। সম্ভেদ নোপোৱা আন ৫ জন শ্ৰমিকৰ পৰিয়াললৈও ১০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত ৰেট হোল খননৰ সন্দৰ্ভত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপৰ বাবে নিৰ্দেশনা যুগুত কৰা হ'ব।

ইপিনে ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত মৰিগাঁও জিলাৰ উন্নয়নৰ বাবে বহুকেইটা প্ৰকল্পত অনুমোদন জনোৱা হয়। আজিৰ বৈঠকত বিটিআৰৰ উন্নয়নৰ বাবে ৪০১ কোটি টকাৰ পুঁজিৰ অনুমোদন জনোৱা হয়। অংগনৱাড়ী কেন্দ্ৰৰ সঠিক কাৰ্যকৰীকৰণৰ বাবে অংগনৱাড়ী কেন্দ্ৰ ব্যৱস্থাপনা সমিতি গঠনৰ নিৰ্দেশনাতো আজিৰ মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনায়।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই জোনবিল মেলাৰ গৌৰৱোজ্জল ইতিহাস আছে বুলি মন্তব্য কৰি কয়, যে জোনবিল মেলাই অসমৰ অতি পুৰণি ঐতিহ্য আৰু পৰম্পৰাৰ চানেকি বহন কৰি আহিছে। জোনবিল মেলাৰ এই সময়ছোৱাত তিৱা জনগোষ্ঠীৰ লোকসকলে একেলগ হৈ জাতিৰ গৌৰৱময় ঐতিহ্য সোঁৱৰে বুলি মুখ্যমন্ত্ৰী উল্লেখ কৰে। ড০ শৰ্মাই অনুষ্ঠানত তিৱা ৰাজ্যৰ বুৰঞ্জী শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত অনুষ্ঠিত এই মেলাৰ আজি প্ৰথম দিনাই চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পাহাৰৰ পৰা নামি অহা জনজাতীয় ভাই-ভনীসকলে তেওঁলোকৰ কৃষিজাত সামগ্ৰী পৰম্পৰাগত প্ৰথাৰে ভৈয়ামৰ উৎপাদিত সামগ্ৰীৰ সৈতে বিনিময় কৰে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৪-২৫ বৰ্ষৰ বাবে কাইলৈৰ পৰা ২১ জানুৱাৰীলৈ পুনৰ অনলাইন পঞ্জীয়ন প'ৰ্টেল মুকলি কৰিব। এই সন্দৰ্ভত বিস্তৃত তথ্যৰ বাবে পৰিষদে সংশ্লিষ্ট সকলো পক্ষকে পৰিষদৰ ৱেবছাইট চাবলৈ আহ্বান জনাইছে। নিৰ্দেশনাটোত পৰিষদে স্পষ্ট কৰি দিয়ে যে পৰৱৰ্তী পৰ্যায়ত পঞ্জীয়নৰ বাবে

কোনো ধৰণৰ সময় বৃদ্ধি কৰা নহয়। অফলাইনৰ জৰিয়তেও কোনো ধৰণৰ পঞ্জীয়ন পত্ৰ গ্ৰহণ কৰা নহয় বুলি পৰিষদে জানিবলৈ দিছে।

০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি শিল্পী দিৱস উদ্‌যাপন কৰা হ'ব। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বছৰৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হব। এই অনুষ্ঠানত বিত্ত, মহিলা আৰু শিশু কল্যান মন্ত্ৰী অজন্তা নেওগ, কৃষি মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০

বিশিষ্ট সাহিত্যিক, সাংবাদিক পদ্ম পাটৰলৈ অসম সাহিত্য সভাৰ বাসুদেৱ জালান সোঁৱৰণী বঁটা আগবঢ়োৱা হ'ব। অসম সাহিত্য সভাই প্ৰতি দুবছৰৰ মূৰে মূৰে বিশিষ্ট সমাজসেৱী, ব্যৱসায়ী, কলা-সংস্কৃতিৰ সমন্বয়ক বাসুদেৱ জালানৰ সোঁৱৰণীত এই বঁটা প্ৰদান কৰি আহিছে। অহা ১৯ জানুৱাৰীত গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা সভাগৃহত আয়োজিত অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিকগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

বাক্সা জিলাৰ অঞ্চলী বাদুলিপাৰাৰ অঞ্চলী প্ৰাথমিক বিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী মহোৎসৱ অনুষ্ঠিত হৈছে। এই উপলক্ষে আজি পুৱাৰে পৰা মাংগলিক অনুষ্ঠান, স্বচ্ছতা অভিযান, গছপুলি ৰোপন আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। অঞ্চলটোৰ লোকসকলে বিদ্যালয়খনৰ সোণালীজয়ন্তী উপলক্ষে ৫০ খন পতাকা উত্তোলন কৰি সমবেত সংগীত পৰিৱেশন কৰে। দিনৰ ভাগত **প্ৰাথমিক বিদ্যালয়ৰ সৰ্বাংগীন বিকাশত অভিভাৱক আৰু সমাজৰ ভূমিকা** শীৰ্ষক এখনি আলোচনা চক্ৰও অনুষ্ঠিত হয়।

০০০০০

বজালি জিলাৰ ঘটবৰ শালগিৰি ঘাটৰ গৰখীয়া গোঁসাইৰ থানত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব শান্তিৰ বাবে বিশেষ ধৰ্মানুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচীৰ অংশ হিচাপে ভাগৱত পাঠ, ভাগৱ শোভাযাত্ৰা, নাম প্ৰসংগ আদি কাৰ্যসূচী ৰূপায়ন কৰা হয়। আজি নিশাৰ ভাগত নাগাৰা নাম পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

০০০০০

ভাৰতৰ পি ভি সিন্ধু আৰু কিৰন জৰ্জে ইণ্ডিয়া অ'পেন বি ডব্লিউ এফ ৱাৰ্ল্ড টুৰ ছুপাৰ ছেভেন ফিফটি বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ ডাবলছত ছিৰাগ ছেট্টী আৰু সত্বিকছাইৰাজ ৰনকিৰেড্ডীৰ যুটীয়ে প্ৰথম ছেটত পৰাস্ত হোৱাৰ পাছতো সফল প্ৰত্যাৱৰ্তন কৰি অন্তিম ৮ত স্থান নিশ্চিত কৰিছে।

০০০০০

গুৱাহাটীৰ ৰায়াৰলেছ্‌ৰ বশিষ্টপুৰ প্ৰথম উপপথ নিবাসী অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা অমূল্য গোস্বামীৰ আজি সন্ধিয়া নিজ বাসভৱনত দেহাৱসান ঘটে। তেজপুৰৰ বিহগুৰীত জন্মগ্ৰহণ কৰা গোস্বামীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৭ বছৰ।

ooooo

সমাপ্ত